OFFICE OF THE DEPUTY COMMISSIONER
12 JUL 2018

অসম ৰাজ্যিক নিৰ্বাচন আয়োগ
হাউচফেদ কম্‌প্লেক্স, দিছপুৰ গুৱাহাটী-৬

নং এচ.ই.চি ১৪/২০১৬/২৬ দিনাংক- ২১-০৬-২০১৮

প্ৰতি,

১) উপায়ুক্ত-

ধুবুৰী/দক্ষিণশালমৰা( হাটশিঙিমাৰী) /গোৱালপাৰা/বঙাইগাঁও/ বৰপেটা/ নলবাৰী/ কামৰূপ ( মহানগৰ) / কামৰূপ(গ্ৰাম্য) / দৰং/ শোনিতপুৰ/ বিশ্বনাথ/ লক্ষীমপুৰ/ ধেমাজি/ ডিব্ৰুগড় / তিনিচুকীয়া/ শিৱসাগৰ/ চৰাইদেও/ যোৰহাট/ মাজুলী/ গোলাঘাট/ নগাঁও/ হোজাই/ মৰিগাঁও/ কাছাৰ/ হাইলাকান্দি/ কৰিমগঞ্জ ।

২) মহকুমাধিপতি-

বিলাসীপাৰা/ উত্তৰশালমাৰা( অভয়াপুৰি) / বজালী/ ৰঙিয়া/ গহপুৰ/ ঢকুৱাখানা/ জোনাই / মাৰ্ঘেৰিটা/ শদিয়া/ নাজিৰা/ তিতাবৰ/ ধনশিৰি/ বোকাখাট/ কলিয়াবৰ ।

বিষয়: আগন্তুক পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থীসকলৰ যোগ্যতা আৰু অযোগ্যতা সন্দৰ্ভত- বিৱৰনী ।

মহাশয়/ মহাশয়া,

ওপৰত উল্লেখিত বিষয় মৰ্মে জনাব খোজো যে আগন্তুক পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিব খোজা প্ৰাৰ্থীসকলৰ যোগ্যতা আৰু অযোগ্যতা সম্পৰ্কে অসম পঞ্চায়ত আইন আৰু পঞ্চায়ত বিধিৰ ( এই পৰ্য্যন্ত সংশোধিত) আধাৰত প্ৰস্তুত কৰি উলিওৱা এক বিৱৰণী ইয়াৰ লগত সংযোজন কৰি দিয়া হৈছে । এনে বিৱৰণী পঞ্চায়ত নিৰ্বাচন ঘোষনাৰ লগে লগে সম্ভাব্য প্ৰাৰ্থী আৰু ৰাজনৈতিক দল সমূহৰ মাজত প্ৰচাৰ কৰিব । উল্লেখ্য যে, ৰাজ্যিক নিৰ্বাচন আয়োগৰ দ্বাৰা এই বিৱৰণী ৰাজ্যৰ কেইবাখনো বাতৰিকাকতত বিজ্ঞাপন হিচাপে ইতিমধ্যে প্ৰচাৰিত হৈছে ।

সংলগ্ন : বিৱৰণী ।

DEV (Pan)

আপোনাৰ বিশ্বাসী

সচিব,
অসম ৰাজ্যিক নিৰ্বাচন আয়োগ
দিছপুৰ গুৱাহাটী- ৬

# অসম ৰাজ্যিক নিৰ্বাচন আয়োগ
## হাউচফেদ কমপ্লেক্স, দিছপুৰ গুৱাহাটী-৬

দিনাংক- ১২-০৬-২০১৮

### আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থী সকলৰ যোগ্যতা / অযোগ্যতা সম্পৰ্কে :
### (অসম পঞ্চায়ত আইন ১৯৯৪ আৰু অসম পঞ্চায়ত বিধিৰ ওপৰত ভিত্তি কৰি)

১) পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবৰ কাৰণে এজন প্ৰাৰ্থী যোগ্য হব :-

(ক) যদিহে, তেওঁ ভাৰতীয় নাগৰিক হয় ।

(খ) যদিহে তেওঁৰ নাম সংশ্লিষ্ট পঞ্চায়ত সমষ্টিৰ ভোটাৰ তালিকাত সন্নিবিষ্ট হৈছে ।

(গ) যদিহে তেওঁৰ বয়স ২১ বছৰৰ কম নহয় ।

(ঙ) মহিলাৰ বাবে আছুতীয়াকৈ ৰখা আসনৰ প্ৰাৰ্থীগৰাকী মহিলাই হ'ব লাগিব ।

(চ) অনুসূচীত জাতি/ জনজাতিৰ বাবে আছুতীয়াকৈ ৰখা আসনৰ প্ৰাৰ্থীগৰাকী চৰকাৰৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত অনুসূচীত জাতি/ জনজাতিৰ হ'ব লাগিব ।

2) আৰু অযোগ্য হব :

(ক) যদিহে, লোকজন কোনো নৈতিক স্খলন সম্পৰ্কীয় দোষৰ বাবে আদালতৰ দ্বাৰা দোষী সাব্যস্ত হৈছে বা ফৌজদাৰী আইনৰ (১৯৭৩) ১১০ ধাৰা অনুযায়ী ভাল আচৰণৰ বাবে মুচুলুকা দিবলৈ আদেশ প্ৰাপ্ত হৈছিল;

অৰশ্যে কাৰাগাৰৰ পৰা মুক্তি হোৱাৰ তাৰিখৰ পৰা নিৰ্বাচনৰ তাৰিখলৈকে যদি ৪ বছৰ সম্পূৰ্ণ হৈছে আৰু কাৰাগাৰত যাব নলগা দোষৰ বাবে শাস্তি পালে, শাস্তি পোৱা তাৰিখৰ পৰা নিৰ্বাচনৰ তাৰিখলৈকে যদি ৪ বছৰ পাৰ হৈছে , তেনে ক্ষেত্ৰত ব্যক্তিজন অযোগ্য নহব ।

খ) যদিহে, প্ৰাৰ্থীজনক চৰকাৰী চাকৰিৰ পৰা নৈতিক স্খলন বা দু: শ্চৰিত্ৰ কাৰ্য্যৰবাবে বৰ্খাস্ত কৰা হৈছে;

অৰশ্যে নিৰ্বাচন হব লগা তাৰিখৰ পৰা পাঁচবছৰৰ আগৰ সময়ত এনে বৰ্খাস্ত হলে লোকজন অযোগ্য নহয় ।

গ) যদিহে, প্ৰাৰ্থীজনক অপ্ৰমাণিত অথবা অনুনুক্ত দেউলিয়া অথবা ঋণ পৰিশোধ কৰিবলৈ অসমৰ্থ হোৱা ব্যক্তি(insolvent) হিচাপে ঘোষণা কৰা হৈছে ।

ঘ) যদিহে, প্ৰাৰ্থীজনক Legal Practitioners Act ৰ অধীনত দালাল (tout) হিচাপে ঘোষণা কৰা হৈছে ।

ঙ) যদিহে, প্ৰাৰ্থীজন চৰকাৰী বা চৰকাৰী সাহাৰ্য্যপ্ৰাপ্ত শিক্ষা অনুষ্ঠান অথবা প্ৰতিষ্ঠানৰ অধীনত লাভজনক পদবীত আছে অথবা কোনো পঞ্চায়তীৰাজ অনুষ্ঠানত দৰ্মহাপ্ৰাপ্ত হিচাপে কাৰ্য্যনিবাহ কৰি আছে অথবা উপৰুক্ত পঞ্চায়তীৰাজ অনুষ্ঠানত বা চৰকাৰৰ অধীনত কোনো ঠিকা ভিত্তি কামত নিয়োজিত ।

চ) যদিহে, প্ৰাৰ্থীজন নিৰ্বাচনৰ তাৰিখৰপৰা ৪ বছৰৰ ভিতৰৰ সময়ছোৱাত জন প্ৰতিনিধিত্ব আইনৰ (১৯৫১)(Representation of People Act, 1951) ১৩৫ ধাৰা আৰু ১৩৬ ধাৰাৰ উপধাৰা (২) ৰ (ক) দফা(clause) মৰ্মে দোষী সাব্যস্ত হৈছিল অথবা প্ৰাৰ্থীজন স্থানীয় নিকায় অথবা লোকসভা বা বিধান সভা নিৰ্বাচনত দুৰ্নীতিত লিপ্ত প্ৰমাণিত হোৱাৰ বাবে অৰ্হতাসম্পন্ন প্ৰাধিকৰণৰ আদেশমৰ্মে তেওঁৰ নিৰ্বাচন বাতিল কৰা হৈছিল।

ছ) যদিহে, প্ৰাৰ্থীজনে পঞ্চায়ত আইন আৰু বিধিৰ অধীনত দিবলগা খাজনা, কৰ মাছুল, অথবা সমবায় সমিতিৰ ঋণ আদি পৰিশোধ কৰা নাই ।

(জ) যদিহে, লোকজনৰ এগৰাকী বা একাধিক পত্নীৰ/ পতিৰ জৰিয়তে জীৱিত সন্তানৰ সংখ্যা দুটাৰ অধিক ।

অৰশ্যে ১৯ মাৰ্চ ২০১৮ তাৰিখৰ আগেয়ে যদি কোনো লোকৰ জীৱিত সন্তানৰ সংখ্যা দুটাৰ অধিক , তেনেক্ষেত্ৰত লোকজন অযোগ্য নহব ।

(ঝ) গাওঁ পঞ্চায়ত সদস্যৰ বাবে যদিহে লোকজন কোনো শিক্ষানুষ্ঠানৰ পৰা ষষ্ঠ শ্ৰেণীত উত্তীৰ্ণ হোৱা নাই ;

অৰশ্যে অনুসূচীত জাতি, জনজাতি, অন্যান্য পিচপৰা শ্ৰেণী (OBC) আৰু ততোধিক অন্যান্য পিচপৰা শ্ৰেণীৰ (MOBC) প্ৰাৰ্থী সকলে উপৰোক্ত শিক্ষাগত অৰ্হতা নাথাকিলেও এনে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ অযোগ্য নহব ।

(ঞ) গাওঁ পঞ্চায়তৰ সভাপতি আৰু আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ বাবে যদিহে লোকজন অসম চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত কোনো পৰিষদ(council) বা বৰ্ডৰ পৰা H.S.L.C বা সমপৰ্যায়ৰ পৰীক্ষাত উৰ্ত্তীন হোৱা নাই।

অৰশ্যে অনুসূচীত জাতি, জনজাতি, অন্যান্য পিচপৰা শ্ৰেনী আৰু ততোধিক অন্যান্য পিচপৰা শ্ৰেনীৰ (MOBC) প্ৰাৰ্থীৰ ক্ষেত্ৰত নূন্যতম শিক্ষাগত অৰ্হতা হব কোনো শিক্ষানুষ্ঠানৰ পৰা অষ্টম শ্ৰেনী উৰ্ত্তীৰ্ণ ।

(ট) জিলা পৰিষদৰ সদস্যৰ ক্ষেত্ৰত , যদিহে লোকজনে ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰৰ স্বীকৃতি প্ৰাপ্ত কোনো পৰিষদ (council) বা বৰ্ডৰ পৰা উচ্চতৰ মাধ্যমিক শিক্ষান্ত চাৰ্টিফিকেট (HSSLC) বা সমপৰ্য্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা নাই ;

অৰশ্যে অনুসূচীত জাতি, জনজাতি, অন্যান্য পিচপৰা শ্ৰেনী আৰু ততোধিক অন্যান্য পিচপৰা শ্ৰেনীৰ (MOBC) ক্ষেত্ৰত নূন্যতম শিক্ষাগত অৰ্হতা হব - ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত যিকোনো পৰিষদ (council) বা বৰ্ডৰ পৰা HSLC বা সমপৰ্য্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ ।

(ঠ) যদিহে লোকজনৰ ঘৰত এটা স্বাস্থ্যসন্মত শৌচাগাৰ ব্যৱহৃত হৈ থকা নাই ।

(অসম ৰাজিক নিৰ্বাচন ...